2024

PHILOSOPHY

(Honours Elective)

Paper : PHI–HE–6026

(Philosophy of Language)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. Answer the following as directed : 1×10=10

নির্দেশানুযায়ী তলত দিয়াবোৰৰ উত্তৰ দিয়া :

(a) Who is the author of the book, *How to Do Things with Words*?

How to Do Things with Words গ্ৰন্থখনৰ লিখক কোন ?

(b) Picture Theory of Meaning is associated with the philosophy of early Wittgenstein/ later Wittgenstein.

(Choose the correct answer)

অৰ্থৰ চিত্ৰতত্ত্ব পূৰ্বকালীন উইট্‌গেনষ্টাইন/পৰৱৰ্তী উইট্‌গেনষ্টাইনৰ দৰ্শনৰ লগত জড়িত।

(শুদ্ধ উত্তৰটো বাছি উলিওৱা)

(c) "Workability is the test of truth." Which theory of truth is associated with this statement?

"কার্যকাবিতাই সত্যৰ মানদণ্ড।" সত্য-সম্পৰ্কীয় কোনটো মতবাদ এই উক্তিৰ লগত জড়িত?

(d) Name the book in which Wittgenstein presented his 'Picture Theory of Meaning'.

উইট্‌গেনষ্টাইনে তেওঁৰ 'অৰ্থৰ চিত্রতত্ত্ব' উপস্থাপন কৰা গ্রন্থখনৰ নাম লিখা।

(e) The Coherence Theory of Truth affirms the degrees of truth. Is it true?

সত্যৰ সংগতিবাদে সত্যৰ মাত্রাক স্বীকাৰ কৰে। এইটো সত্য নে?

(f) One of the main advocates of Ideational Theory of Meaning is John Locke/ Wittgenstein/Bertrand Russell.

(Choose the correct answer)

অৰ্থৰ ধাৰণাগত তত্ত্বৰ এজন প্রধান সমর্থক হ'ল জন ল'ক/উইট্‌গেনষ্টাইন/বার্ট্রাণ্ড ৰাছেল।

(শুদ্ধ উত্তৰটো বাছি উলিওৱা)

(g) Idealist philosophers support Correspondence/Coherence Theory of Truth.

(Choose the correct answer)

ভাববাদী দার্শনিকসকলে সত্যৰ অনুৰূপতাবাদ/সংগতিবাদ সমর্থন কৰে।

(শুদ্ধ উত্তৰটো বাছি উলিওৱা)

(h) According to Use Theory of Meaning, the meaning of an expression is what it refers to or denotes. Is the statement true?

অৰ্থৰ প্রয়োগ তত্ত্ব অনুসাৰে এটা অভিব্যক্তিৰ অৰ্থ হ'ল সেইটো যিটো ই নির্দেশ কৰে বা সূচায়। এই বিবৃতিটো সত্য নে?

(i) Locutionary act has both sense and reference. Is it true?

প্রৱচন ক্রিয়া বা বাক্‌শৈলী ক্রিয়াৰ অৰ্থ আৰু নির্দেশনা দুয়োটাই থাকে। এইটো সত্য নে?

(j) Ordinary language philosophy is also known as ____.

(Fill in the blank)

সাধাৰণ ভাষা দর্শনক ____ বুলিও জনা যায়।

(খালী ঠাঁই পূৰ কৰা)

2. Answer the following questions in brief : 2×5=10

তলৰ প্ৰশ্নসমূহৰ চমু উত্তৰ দিয়া :

(a) Write the name of two philosophers who support Pragmatic Theory of Truth.

সত্যৰ উপযোগিতাবাদ বা প্ৰয়োগবাদৰ দুজন সমৰ্থক দাৰ্শনিকৰ নাম লিখা।

(b) What is indefinite description, according to Russell?

ৰাছেলৰ মতে অনিৰ্দিষ্ট বৰ্ণনা কাক বোলে ?

(c) State any two drawbacks or limitations of Correspondence Theory of Truth.

সত্যৰ অনুৰূপতাবাদৰ যি কোনো দুটা দোষ বা সীমাবদ্ধতা উল্লেখ কৰা।

(d) Give the definition of locutionary act with example.

উদাহৰণসহ বাক্‌শৈলী ক্ৰিয়াৰ সংজ্ঞা আগবঢ়োৱা।

(e) Write any two differences between sense and reference as mentioned by Frege.

ফ্ৰেগেই উল্লেখ কৰা ধৰণে অৰ্থ আৰু নিৰ্দেশনাৰ মাজৰ যি কোনো দুটা পাৰ্থক্য লিখা।

3. Write short notes on the following (any *four*) : 5×4=20

তলত দিয়াবোৰৰ বিষয়ে চমু টোকা লিখা (যি কোনো চাৰিটা) :

(a) Pragmatic Theory of Truth
সত্যৰ উপযোগিতাবাদ

(b) Language and world
ভাষা আৰু জগত

(c) Performative and constative utterances
সম্পাদন বা পৰিবেশনমূলক আৰু বৰ্ণনামূলক উক্তি

(d) Referential Theory of Meaning
অৰ্থৰ নিৰ্দেশাত্মক তত্ত্ব

(e) Philosophy of language
ভাষা দৰ্শন

(f) Illocutionary forces
প্ৰভাৱান্বিত ক্ৰিয়া শক্তি বা সজোৰ ক্ৰিয়া শক্তি

4. Answer any *four* of the following questions : 10×4=40

তলৰ প্ৰশ্নসমূহৰ যি কোনো চাৰিটাৰ উত্তৰ দিয়া :

(a) Explain Frege's Theory of Sense and Reference.

ফ্ৰেগেৰ অৰ্থ আৰু নিৰ্দেশনা-বিষয়ক তত্ত্বটো ব্যাখ্যা কৰা।

(b) Critically explain the Coherence Theory of truth.

সত্যৰ সংগতিবাদ তত্ত্বটোৰ সমীক্ষাত্মক ব্যাখ্যা আগবঢ়োৱা।

(c) Explain Russell's Theory of Definite Description with examples.

বাছেলৰ সুনির্দিষ্ট বর্ণনাতত্ত্ব উদাহৰণসহ ব্যাখ্যা কৰা।

(d) Write an essay on Ideational Theory of Meaning.

অর্থৰ ধাৰণাগত বা ভাবনামূলক তত্ত্বৰ বিষয়ে এখন ৰচনা লিখা।

(e) What is Speech Act Theory? What are the three types of speech act? Explain.

বাক্ ক্রিয়া মতবাদ কি? তিনি প্রকাৰৰ বাক্ ক্রিয়া কি কি? ব্যাখ্যা কৰা।

(f) Explain and examine the Use Theory of Meaning of Wittgenstein.

উইট্‌গেনষ্টাইনৰ অর্থৰ প্রয়োগতত্ত্ব-সম্পর্কীয় মতবাদটো ব্যাখ্যা আৰু পৰীক্ষা কৰা।

(g) Explain the Correspondence Theory of Truth. Is there any relationship between correspondence theory and realism?

সত্যৰ সাদৃশ্যবাদ বা অনুৰূপতাবাদ ব্যাখ্যা কৰা। সত্যৰ অনুৰূপতাবাদৰ লগত বাস্তৱবাদৰ কিবা সম্বন্ধ আছে নেকি?

(h) Is philosophy a critique of language? Explain.

দর্শন ভাষাৰ সমালোচনা নে? ব্যাখ্যা কৰা।

★★★